# খবৰনামা

## ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ খবৰ

চতুৰ্থ প্ৰকাশ ঃ জুন - ২০০৯

সম্পাদক - সোমনাথ বৰা




### অধ্যক্ষৰ একাষাৰ

একোখন শিক্ষানুষ্ঠান এটা অঞ্চলৰ পৰিচয়। স্থানীয় ৰাইজৰ আশা-আকাংক্ষা, পৰিশ্ৰম আৰু প্ৰচেষ্টাৰ ফলশ্ৰুতিত গঢ় লৈ উঠা ড°বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ে ইতিমধ্যে দুকুৰি দুটা বছৰ গৰকিছে। বিগত সময় ছোৱাত মহাবিদ্যালয়খনে অঞ্চলটোত উচচশিক্ষা সম্প্ৰসাৰণৰ ক্ষেত্ৰত আশানুৰূপ বৰঙণি আগবঢ়াই আহিছে। সময়ৰ প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখি ন ন পদক্ষেপ গ্ৰহণ কৰা হৈছে। মহাবিদ্যালয়ৰ কাম-কাজ আৰু অগ্ৰগতিৰ খবৰ 'খবৰনামা'ৰ জৰিয়তে ৰাইজক অৱগত কৰাৰ প্ৰয়াসো চলোৱা হৈছে। ইতিমধ্যে ইয়াৰ তিনিটা সংখ্যা সময়মতে প্ৰকাশ কৰি বিনামূল্যে ৰাইজৰ হাতত তুলি দিব পৰাটো এটা আনন্দৰ কথা। ইয়াৰ কৃতিত্ব বহুলাংশে সম্পাদক শ্ৰীসোমনাথ বৰাৰ প্ৰাপ্য।

বিগত শিক্ষাবৰ্ষত মহাবিদ্যালয়ত ড° বিৰিঞ্চিকুমাৰ বৰুৱাৰ জন্ম শতবৰ্ষ বছৰজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে পালন কৰা হৈছিল। মহাবিদ্যালয়ৰ চৌহদৰ বাহিৰে ভিতৰে উদ্‌যাপন কৰা বিভিন্ন কাৰ্যসূচীৰ ৰূপায়ণৰ চিত্ৰ এখন এই খবৰনামাৰ জৰিয়তে প্ৰকাশ পাব বুলি আশা কৰিছোঁ।

মহাবিদ্যালয় সৰ্বাঙ্গীন উন্নতি কামনাৰে সামৰিছোঁ। জয়তু ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়।

### মহাবিদ্যালয়ৰ দুৱাৰদলিত

✯ মহাবিদ্যালয়ৰ নাম আৰু ঠিকনা ঃ

ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়

স্থাপিত ঃ

জুলাই ১৯৬৭ চন

ডাক - পুৰণিগুদাম

জিলা - নগাঁও ঃ অসম

ডাক সূচাংক - ৭৮২১৪১

দূৰভাষ - ০৩৬৭২-২৮১৬২৭

মেইল - bkbcollege@hotmail.com

## সম্পাদকীয়

খবৰনামা ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ বাহিৰ আৰু ভিতৰচ'ৰাৰ বিষয়ে কেৱল কিছুমান খবৰ নহয়, ই মহাবিদ্যালয়খনৰ ক্ৰমবৰ্দ্ধন আৰু ক্ৰমোন্নয়নৰো এক খতিয়ান। আজিকালিৰ শিক্ষা কেৱল একলব্যৰ দৰে একক প্ৰচেষ্টা নহয়। উপযোগী শ্ৰেণীকোঠা, বিভিন্ন আচবাব, লাগ বুলিলেই থাওকতে পোৱাকৈ পাঠ্যপুথি আৰু প্ৰসঙ্গপুথি, বিশ্বকোষ, বৈদ্যুতিক মাধ্যম আদি আধুনিক শিক্ষাৰ অত্যাৱশ্যকীয় আহিলা। তাৰ লগতে শিক্ষকসকলৰ দিক্‌নিৰ্দেশ, অভিভাৱকসকলৰ সচেতনতাও যুক্ত হৈ পৰে। মুঠৰ ওপৰত সকলো সা-সুবিধা থকা উপযুক্ত শৈক্ষিক পৰিৱেশেহে ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যতৰ শৈক্ষিক, নৈতিক জীৱনৰ ভেটি গঢ়ি তোলে। মহাবিদ্যালয়ৰ বিভিন্ন পদক্ষেপৰ বিষয়ে ছাত্ৰ-ছাত্ৰী আৰু ৰাইজ জ্ঞাত হওক, ৰাইজে আমাৰ লগত সহযোগিতা কৰি পুৰণিগুদামৰ এই উচ্চশিক্ষাৰ অনুষ্ঠানটি আগবঢ়াই নিয়ক, ছাত্ৰসমাজৰ উন্নতি হওক — এয়াই আমাৰ কামনা।

## মহাবিদ্যালয়ৰ বিষয়ে আৰু খবৰ

☆ বিশ্ববিদ্যালয় অনুদান আয়োগত পঞ্জীয়ন কালঃ ৪ জানুৱাৰি, ১৯৯৩ চন

☆ শিক্ষকৰ সংখ্যা ঃ ২৫ জন

অনা-শিক্ষক কৰ্মচাৰীৰ সংখ্যা ঃ ১৪ জন

☆ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা (২০০৮-০৯ শিক্ষাবৰ্ষ)

(ক) উচ্চতৰ মাধ্যমিক শ্ৰেণীত ঃ ৭২ জন

(খ) স্নাতক মহলাত ঃ ৪৪০ জন

মুঠ ছাত্ৰ-ছাত্ৰী ঃ ৫১২ জন

☆ শিক্ষাদান কৰা বিষয় আৰু বিভাগসমূহ

(ক) অসমীয়া (আধুনিক ভাৰতীয় ভাষা)

(খ) ঐচ্ছিক অসমীয়া

(গ) ইংৰাজী

(ঘ) অৰ্থনীতি

(ঙ) ৰাজনীতি বিজ্ঞান

(চ) শিক্ষা

(চ) ভূগোল

প্ৰত্যেক বিষয়তে প্ৰধান পাঠ্যক্ৰম অধ্যয়ন কৰাৰ সুবিধা আছে।

☆ সময়ৰ লগত খোজ মিলাই চলিবলৈ মহাবিদ্যালয়খনে যৎপৰোনাস্তি চেষ্টা কৰিছে। সেয়ে উপৰোক্ত পাঠ্যক্ৰমৰ বাহিৰেও অন্যান্য পাঠ্যক্ৰম মহাবিদ্যালয়ত প্ৰৱৰ্তন কৰা হৈছে। ব্যস্ততা আৰু অন্যান্য কাৰণত মহাবিদ্যালয় বা বিশ্ববিদ্যালয়লৈ গৈ পোনপটীয়াকৈ শিক্ষা গ্ৰহণ কৰিব নোৱৰা বা স্থানীয়ভাৱে বৃত্তিমুখী শিক্ষা ল'ব খোজাসকলৰ বাবে ন ন পাঠক্ৰম মহাবিদ্যালয়ত আৰম্ভ কৰা হৈছে। ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ত ইয়াৰ নিম্নোক্ত সুবিধাসমূহ লব্ধ হয় ঃ

### (ক) ইন্‌ষ্টিটিউট অৱ ডিষ্টেন্ট এণ্ড অপেন লাৰ্ণিং (IDOL) ঃ

ইয়াৰ এটা কেন্দ্ৰ ২০০৬ চনত মহাবিদ্যালয়ত আৰম্ভ কৰা হয়। প্ৰথম অৱস্থাত ইয়াৰ নাম আছিল Post Graduate Correspondence Course. স্নাতক পৰীক্ষাত উত্তীৰ্ণ হোৱা লোকে দুবছৰীয়া স্নাতকোত্তৰ বা এবছৰীয়া ডিপ্ল'মা পাঠ্যক্ৰম অধ্যয়ন কৰিব পাৰে। বিষয়ভেদে দুবছৰত দহ হাজাৰ বা বাৰ হাজাৰ টকাতেই স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিব



হত্যা হিংসাৰ প্ৰতিবাদত ৰাজপথত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল, ৫ নৱেম্বৰ, ২০০৮

পাৰে। ইতিমধ্যে এই কেন্দ্ৰৰ যোগেদি স্নাতকোত্তৰ পৰীক্ষাত অৱতীৰ্ণ হোৱা সকলে সন্তোষজনক ফলাফল দেখুৱাবলৈ সক্ষম হৈছে। মহাবিদ্যালয়ে তেওঁলোকক সৰ্বতোপ্ৰকাৰে সহায় কৰি আহিছে।

### খ) কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় অধ্যয়ন কেন্দ্ৰ ঃ

যিসকল ছাত্ৰ-ছাত্ৰী উচ্চশিক্ষাৰ প্ৰতি আগ্ৰহী, অথচ উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হ'ব পৰা নাই, তেওঁলোকৰ বাবে এই অধ্যয়ন কেন্দ্ৰৰ যোগেদি Bachelor's Preparatory Programme (BPP) ৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলে পৰীক্ষাত অৱতীৰ্ণ হৈ পাছৰ পৰ্যায়ত স্নাতক শ্ৰেণীত নামভৰ্তি কৰিব পাৰিব।

ইতিমধ্যে ছাত্ৰ-ছাত্ৰীৰ সন্তোষজনক সঁহাৰিৰে কেন্দ্ৰটি সুকলমে চলি আছে।

### (গ) ফেশ্বন, টেক্সটাইল এণ্ড ইনটেৰিয়ৰ ডিজাইনিং পাঠ্য ক্ৰম ঃ

বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থ অনুমোদনেৰে এই পাঠ্যক্ৰম মহাবিদ্যালয়ত চলি আছে। আধুনিক যুগত চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি এই বৃত্তিমুখী পাঠ্যক্ৰম আৰম্ভ কৰা হৈছে। ইতিমধ্যে এই পাঠ্যক্ৰমৰ ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত অৱতীৰ্ণ হৈছে। স্বনিয়োজনৰ সুবিধা থকা এই পাঠ্যক্ৰমৰ প্ৰতি আৰু অধিক ছাত্ৰ-ছাত্ৰী আগ্ৰহী হ'ব বুলি আশা কৰিব পাৰি। পাঠ্যক্ৰমৰ সময় এবছৰীয়া।

### (ঘ) কম্পিউটাৰ ক'ৰ্চ ঃ

ছাত্ৰ-ছাত্ৰীসকলে মাহেকীয়া ফীজ দি মহাবিদ্যালয়ৰ পৰাই কম্পিউটাৰ পাঠ্যক্ৰম অধ্যয়ন কৰি ডিপ্লোমা ল'ব পাৰে। কম্পিউটাৰ শিক্ষাৰ অপৰিহাৰ্যতালৈ লক্ষ্য ৰাখি প্ৰৱৰ্তন কৰা এই ক'ৰ্চে যথেষ্টসংখ্যক ছাত্ৰ-ছাত্ৰীক আকৰ্ষিত কৰিছে।

### ☆ মহাবিদ্যালয়ৰ বিগত বৰ্ষৰ কৰ্মসূচীৰ এক খতিয়ান ঃ

অসম তথা ভাৰতৰ এজন নমস্য সাহিত্যিক, পণ্ডিত, সংগঠক ড° বিৰিঞ্চিকুমাৰ বৰুৱাৰ নামেৰে মহাবিদ্যালয়খনৰ নামকৰণ কৰা হৈছে। ২০০৭ চনৰ পৰা ২০০৮ চনৰ ২০ নৱেম্বৰলৈকে বছৰজোৱা কাৰ্যসূচীৰে এই প্ৰখ্যাত পণ্ডিতজনৰ জন্ম শতবাৰ্ষিকী উলহ-মালহেৰে পালন কৰা হয়। ২০০৭ চনৰ অক্টোবৰ মাহৰ পৰা ২০০৮ চনৰ জুন মাহলৈকে অনুষ্ঠিত হোৱা বিভিন্ন অনুষ্ঠানৰ বিষয়ে খবৰনামাৰ ৩য় প্ৰকাশৰ জৰিয়তে ৰাইজে জানিবলৈ পাইছে আৰু সক্ৰিয়ভাৱে অংশগ্ৰহণো কৰিছে। ২০০৮ চনৰ জুলাই মাহৰ পৰা নৱেম্বৰ মাহলৈ গ্ৰহণ কৰা কাৰ্যসূচীৰ এই খতিয়ান তলত আগবঢ়ালোঁ।




ড° বিৰিঞ্চিকুমাৰ বৰুৱা জন্ম শতবৰ্ষ অনুষ্ঠানৰ মুকলি সভাত বিশিষ্ট সাহিত্যিক ড° লক্ষ্মীনন্দন বৰাদেৱ।

**সতীৰ্থ গ্ৰন্থমেলা ঃ** ২০০৮ চনৰ চেপ্তেম্বৰ মাহৰ ৯, ১০ আৰু ১১ তাৰিখে মহাবিদ্যালয়ত তিনি দিনীয়াকৈ 'সতীৰ্থ গ্ৰন্থমেলা' অনুষ্ঠিত হৈ যায়। স্থানীয় ৰাইজ আৰু ছাত্ৰ-ছাত্ৰীৰ অংশ গ্ৰহণে এই গ্ৰন্থমেলা সফল কৰি তুলিছিল।

**কথছবি প্ৰদৰ্শন ঃ** বিৰিঞ্চি কুমাৰ বৰুৱাৰ জন্ম শতবৰ্ষ অনুষ্ঠানৰ অংশ হিচাপে প্ৰধানকৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ২০০৮ চনৰ চেপ্তেম্বৰ মাহৰ ২৭ তাৰিখে 'আইদেউ' কথাছবি খন প্ৰদৰ্শন কৰা হয়। প্ৰথম অসমীয়া কথাছবি 'জয়মতী'ৰ নায়িকা আইদেউ সন্দিকৈৰ সংঘাতময় জীৱনক লৈ পৰিচালক অৰূপ মান্নাই নিৰ্মাণ কৰা এই কথাছবিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক ভাল কথাছবিৰ প্ৰতি আকৃষ্ট কৰিবলৈ যত্ন কৰা হৈছিল। উক্ত প্ৰদৰ্শনত পৰিচালক অৰূপ মান্না উপস্থিত থাকি এই সাৰুৱা ভাষণেৰে ছাত্ৰ-ছাত্ৰী, শিক্ষক, দৰ্শক সকলোকে মুগ্ধ কৰে। ছবি প্ৰদৰ্শনৰ অন্তত অন্তৰংগ আলাপৰ অনুষ্ঠানটিও বৰ আকৰ্ষণীয় আছিল।

**ড° বিৰিঞ্চি কুমাৰ বৰুৱা জন্ম শতবৰ্ষ স্মাৰক বক্তৃতানুষ্ঠান ঃ** এই স্মাৰক বক্তৃতা ২০০৮ চনৰ অক্টোবৰ মাহৰ ২৪ তাৰিখে প্ৰখ্যাত সত্ৰীয়া নৃত্যশিল্পী, সংগীত-নাটক বঁটা বিজয়ী ঘনকান্ত বৰা বৰবায়নদেৱে প্ৰদান কৰে। তেখেতৰ বক্তৃতাৰ বিষয় আছিল 'সত্ৰীয়া নৃত্য আৰু তাল'। আন তিনিজন শিল্পীৰ সহযোগত বৰবায়নদেৱে সত্ৰীয়া নৃত্য প্ৰদৰ্শনসহ বিষয় বস্তুৰ




মহাবিদ্যালয়ৰ ড° বিৰিঞ্চিকুমাৰ বৰুৱা জন্ম শতবৰ্ষ অনুষ্ঠানৰ মুকলি সভাত বিশিষ্ট সাহিত্যিক মহিম বৰাদেৱে 'বিৰিঞ্চিকুমাৰ বৰুৱা ঃ জীৱন আৰু কৰ্ম' গ্ৰন্থখন উন্মোচন কৰিছে।

ব্যাখ্যা আগবঢ়ায়। এই অনুষ্ঠানে সকলোৰে মন মুগ্ধ কৰিবলৈ সক্ষম হয়।

**জন্ম শতবৰ্ষ মুকলি সভা ঃ** ২০০৮ চনৰ ৭ নৱেম্বৰ তাৰিখে বিৰিঞ্চিকুমাৰ বৰুৱা জন্ম শতবৰ্ষ মুকলি সভাখন অনুষ্ঠিত হয়। এই অনুষ্ঠানত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীযুত মহিম বৰাদেৱ আৰু শ্ৰীযুত লক্ষ্মীনন্দন বৰাদেৱ উপস্থিত থাকে। শ্ৰীযুত সহজানন্দ ওজা, ড° ৰাজেন শইকীয়া, ড° স্বাধীনতা মহন্ত আদি বিশিষ্ট ব্যক্তিসকলৰ উপস্থিতিত এই মুকলি সভাত বিৰিঞ্চি কুমাৰ বৰুৱাদেৱৰ জীৱন আৰু কৰ্মৰ

বিভিন্ন দিশ মহিম বৰাদেৱ আৰু লক্ষ্মীনন্দন বৰাদেৱে বিৱৰি কয়। মহিম বৰাদেৱে সোমনাথ বৰাই সম্পাদনা কৰি উলিওৱা 'বিৰিঞ্চিকুমাৰ বৰুৱা ঃ জীৱন আৰু কৰ্ম', 'প্ৰবন্ধ কোষ' নামৰ দুখন গ্ৰন্থ, আকাশী ভূঞা আৰু কমল শইকীয়াই সম্পাদনা কৰি উলিওৱা Humom Resource Management নামৰ গ্ৰন্থখন উন্মোচন কৰে। আবেলিৰ সাংস্কৃতিক অনুষ্ঠানত জনপ্ৰিয় গায়ক পঙ্কজ বৰদলৈ, অৰ্চনা শইকীয়া, প্ৰশান্ত গোস্বামী, মনোজ নাথে গীত পৰিৱেশন কৰি সকলোকে মুগ্ধ কৰে।

**অন্বেষা গ্ৰন্থমেলা ঃ** বিৰিঞ্চি কুমাৰ বৰুৱা জন্ম শতবৰ্ষৰ অন্তিম কাৰ্যসূচী আছিল অন্বেষা গ্ৰন্থমেলা। ২০০৮ চনৰ ৭ নৱেম্বৰ তাৰিখে এই গ্ৰন্থমেলা আৰম্ভ হৈ ১০ নৱেম্বৰত অন্ত পৰে। এই গ্ৰন্থমেলায়ো ছাত্ৰ-ছাত্ৰী আৰু অন্যান্য সকলৰ মনোযোগ আকৰ্ষণ কৰিবলৈ সক্ষম হয়।




এন্টাৰপ্ৰিনিয়ৰস্কিপ এৱাৰনেচ কেম্পৰ অনুষ্ঠানত বিশিষ্ট উদ্যোগী হেমন্ত লহকৰ (ভাষণৰতজন), প্ৰণৱ কুমাৰ শৰ্মাৰ লগত মহাবিদ্যালয়ৰ অধ্যক্ষ।



নবাগত আদৰণি সভাত বিশিষ্ট চলচ্চিত্ৰ পৰিচালক অৰূপ মান্নাদেৱ

☆ **বিভিন্ন শিক্ষাসদী আৰু সামাজিক কাম-কাজ ঃ** মহাবিদ্যালয়ৰ প্ৰত্যেক বিভাগে নিয়মীয়া শিক্ষাদানৰ বাহিৰেও অন্যান্য শিক্ষাসদী কামত নিজকে নিয়োজিত কৰি আহিছে। অৰ্থনীতি বিভাগে "Global meltdown, its impact on Indian economy" শীৰ্ষক এক বক্তৃতানুষ্ঠানৰ আয়োজন কৰে। বুৰঞ্জী আৰু ৰাজনীতি বিজ্ঞান বিভাগে যুটীয়াভাৱে 'Role of Nagaon District in the freedom struggle of India' শীৰ্ষক বক্তৃতানুষ্ঠানৰ আয়োজন কৰে। এই অনুষ্ঠানত বিশিষ্ট স্বাধীনতা সংগ্ৰামী উমা ফুকন বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে আৰু খাগৰিজান মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সাগৰ বৰুৱাই সমল ব্যক্তি হিচাপে আলোচনা আগবঢ়ায়। শিক্ষা বিভাগে আয়োজন কৰা সৰ্বপল্লী ৰাধাকৃষ্ণণৰ দৰ্শন সম্পৰ্কে এটি আলোচনাত

কেবাজনো ছাত্ৰ-ছাত্ৰীয়েও পত্ৰ পাঠ কৰে। অনুষ্ঠানটিত শ্ৰীমতী প্ৰতিভা দেৱী উপস্থিত থাকে। বিগত বৰ্ষৰ চেপ্তেম্বৰ মাহৰ ২২,২৩ আৰু ২৪ তাৰিখত তিনিদিনীয়াকৈ 'Entrepreneurship awareness Camp' এটি অনুষ্ঠিত হয়। এই কেম্পত গুৱাহাটীৰ আই আই ই-ৰ প্ৰণৱ কুমাৰ শৰ্মা আৰু হেমন্ত লহকৰে অংশ গ্ৰহণ কৰে। চলিত বৰ্ষত ২৩ মে' তাৰিখে স্থানীয় 'দৃষ্টি ফাউণ্ডেচন' নামৰ সংস্থাটোৰ সহযোগত মহাবিদ্যালয়ত আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ এটিও মুকলি কৰা হয়। বিভিন্ন বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে এই কেন্দ্ৰলৈ আহি নানা বৈজ্ঞানিক সৰঞ্জাম চাব পাৰিব। ইয়াৰ জৰিয়তে বিজ্ঞানক জনপ্ৰিয়কৰণৰ এটি পথো মুকলি হ'ব বুলি আশা কৰা হৈছে। এই অনুষ্ঠানত আবু হানিফাদেৱ উদ্বোধক হিচাপে উপস্থিত থাকে। মহাবিদ্যালয়ৰ মহিলা কোষে চলিত বৰ্ষৰ ১ জুনত শ্ৰীমন্ত শঙ্কৰ মিচনত এসাজ আহাৰৰ যোগান ধৰে।

মহাবিদ্যালয়ৰ কেবাজনো শিক্ষকে বিভিন্ন চেমিনাৰ আদিত অংশ গ্ৰহণ কৰিছে। শ্ৰীমতী অঞ্জুমণি বৰা, বিজু বৰা, মামনি শইকীয়া, অঞ্জনা গোস্বামী, আকাশী ভূঞা, অনুৰূপা বৰা, গায়ত্ৰী গোপ, লখিমী কাকতি, মল্লিকা বৰাই নগাঁৱৰ এ.ডি.পি. কলেজত হোৱা এক Workshop তাত অংশ গ্ৰহণ কৰে। শ্ৰীযতীন শৰ্মাই ৰঙিয়া কলেজত, মোঃ এ. কে. এম, আখতাৰে কলিয়াবৰ কলেজত হোৱা আলোচনাচক্ৰত গৱেষণাপত্ৰ পাঠ কৰে। সোমনাথ বৰা, শান্তনু বৰদলৈয়ে মৰিগাঁও কলেজত হোৱা ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰত অংশ গ্ৰহণ কৰে। চলিত বৰ্ষৰ অক্টোবৰ মাহত অসমীয়া বিভাগৰ উদ্যোগত এখন ৰাজ্যিক পৰ্যায়ৰ আলোচনাচক্ৰ অনুষ্ঠিত হ'ব।

**গ্ৰন্থ প্ৰকাশ ঃ** মহাবিদ্যালয়ৰ তৰফৰ পৰা গ্ৰন্থ প্ৰকাশ এক বিশেষ পদক্ষেপ হিচাপেই পৰিগণিত হৈছে। ড°বিৰিঞ্চিকুমাৰ বৰুৱাৰ জন্ম শতবৰ্ষত সোমনাথ বৰাই সম্পাদনা কৰা 'বিৰিঞ্চিকুমাৰ বৰুৱা, জীৱন আৰু কৰ্ম' নামৰ গ্ৰন্থখন মহাবিদ্যালয়ৰ হৈ ক্ৰান্তিকাল প্ৰকাশনে প্ৰকাশ কৰি উলিয়াইছে। গ্ৰন্থখনে ইতিমধ্যে অসমৰ বৌদ্ধিক মহলৰ পৰা বিশেষ সমাদৰ পাইছে। মহাবিদ্যালয়ৰ পৰা ২০০৮ চনত প্ৰকাশ কৰি উলিওৱা আন দুখন গ্ৰন্থ হ'ল সোমনাথ বৰা সম্পাদিত 'প্ৰবন্ধ-কোষ' আৰু আকাশী ভূঞা, কমল চন্দ্ৰ শইকীয়া সম্পাদিত 'Human Resource Management'। তদুপৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূপেন শইকীয়াদেৱৰ 'হৃদয় এক পোতাশাল' নামৰ কাব্যগ্ৰন্থ চন্দ্ৰ প্ৰকাশে এই বছৰ প্ৰকাশ কৰি উলিয়াইছে। ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰবক্তা শ্ৰীহৰেকৃষ্ণ বৰাৰ ৰাজনৈতিক সমাজতত্ত্ব বিষয়ৰ এখন গ্ৰন্থ কল্যাণী প্ৰকাশনে প্ৰকাশ কৰি উলিয়াইছে।

বিগত এবছৰৰ ভিতৰত প্ৰকাশিত মহাবিদ্যালয় অধ্যক্ষৰ আন কেইটামান প্ৰবন্ধ হ'ল

(১) অসমীয়া কথা সাহিত্য (পুৰণিভাগ)

এটি অৱলোকন — 'বিৰিঞ্চি কুমাৰ বৰুৱা : জীৱন আৰু কৰ্ম' গ্ৰন্থত প্ৰকাশিত (২০০৮)

(২) ড° বিৰিঞ্চি কুমাৰ বৰুৱা জন্ম শতবৰ্ষ সুঁৱৰি— 'প্ৰবন্ধ কোষ' গ্ৰন্থত প্ৰকাশিত (২০০৮)

(৩) দুটা সাধু— 'এহেজাৰ এটা সাধু' গ্ৰন্থত প্ৰকাশিত (২০০৯)

(৪) Human Resourse Management in the perspective of Higher Education in Assam. — Seminar Volume, 2008

**কমল চন্দ্ৰ শইকীয়াৰ প্ৰকাশিত প্ৰবন্ধ —**

(১) গণমাধ্যম, উপভোক্তাবাদ আৰু নিম্নবৰ্গীয় জীৱন দশা : এটি আলোচনা ( প্ৰবন্ধ কোষ - ২০০৮)

(২) বিৰিঞ্চি কুমাৰ বৰুৱাৰ ইতিহাসচিন্তা আৰু সমাজতাত্ত্বিক বীক্ষণ (বিৰিঞ্চি কুমাৰ বৰুৱা : জীৱন আৰু কৰ্ম ২০০৮)

**যতীন শৰ্মাৰ প্ৰবন্ধ—**

(১) কমলা দাসৰ কবিতাত দেহজ প্ৰেম : এটি পৰ্যালোচনা (প্ৰবন্ধ কোষ - ২০০৮)

ইয়াৰ উপৰি মহাবিদ্যালয়ৰ কেইবাজনো শিক্ষকে মহাবিদ্যালয়ৰ আলোচনী আৰু অন্যান্য কাকতত নিজৰ প্ৰবন্ধ প্ৰকাশ কৰিছে।

**মহাবিদ্যালয়ৰ পুথিভঁৰাল :** মহাবিদ্যালয়খনৰ পুথিভঁৰাল বিশেষভাৱে সমৃদ্ধ। ইয়াত দহ হাজাৰতকৈ অধিক গ্ৰন্থ আছে। প্ৰত্যেক বিভাগৰে পাঠ্যপুথি, প্ৰসঙ্গপুথিৰ উপৰি ৰচনাৱালী, বিভিন্ন উচ্চ পৰ্যায়ৰ গ্ৰন্থ, কেবাখনো জাৰ্নেল, আলোচনী, বাতৰি কাকত আদিৰে মহাবিদ্যালয়ৰ পুথিভঁৰাল সমৃদ্ধ। এইবছৰ পুথিভঁৰালটি অধিক আহল-বহল ঠাইলৈ স্থানান্তৰিত হ'ব। ছাত্ৰ-ছাত্ৰীয়ে কম পইচাতে ফটোষ্টেট কৰাৰ সুবিধা পাব। দুখীয়া ছাত্ৰ-ছাত্ৰী উপকৃত হ'ব পৰাকৈ বুক বেঙ্কৰো ব্যৱস্থা কৰা হৈছে।

**ছাত্ৰ-ছাত্ৰীৰ বাবে গ্ৰহণ কৰা বিভিন্ন কাৰ্যব্যৱস্থা :** পুৰণিগুদামত বাণিজ্য শিক্ষাৰ সুবিধা ছাত্ৰ-ছাত্ৰীসকলক দিবৰ বাবে চলিত বৰ্ষৰ পৰা মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক শ্ৰেণীত বাণিজ্য শাখা খোলা হৈছে। দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীক সহায় কৰিবলৈ দৰিদ্ৰ ছাত্ৰনিধি গঠন কৰা হৈছে। কেবাজনো শিক্ষক কৰ্মচাৰীৰে গঠিত এখন সমিতিয়ে দুখীয়া ছাত্ৰ-ছাত্ৰী নিৰ্বাচিত কৰি আৰ্থিক সহায় আগবঢ়ায়। বৌদ্ধিক, সাহিত্যিক চিন্তা-চৰ্চাৰ প্ৰকাশৰ মাধ্যম হিচাপে বছেৰেকীয়া আলোচনী আৰু তিনিখন প্ৰাচীৰ পত্ৰিকা আছে। তদুপৰি ভূগোল আৰু শিক্ষা বিভাগৰ বিভাগীয় প্ৰাচীৰ পত্ৰিকাও আছে। Remedial class-ৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক মান উন্নত কৰিবলৈ যত্ন কৰা হয়। ছাত্ৰ আৰু ছাত্ৰীৰ বাবে পৃথক, সুবিধাজনক জিৰণী কোঠা আছে। খোৱা-পানীৰ সুন্দৰ ব্যৱস্থা আছে। কলেজ সপ্তাহ সমাৰোহত ছাত্ৰ-ছাত্ৰী সকলে খেলা-ধুলা কৰা, নানা সুকুমাৰ কলাত নিজৰ পটুতা প্ৰকাশ কৰাৰ সুবিধা পায়। গণতান্ত্ৰিকভাৱে ছাত্ৰ একতা সভাৰ বিষয়ববীয়া নিৰ্বাচন কৰিবলৈ সুবিধা দিয়া হয়। দূৰৰ পৰা অধ্যয়ন কৰিবলৈ অহা ছাত্ৰীৰ বাবে Women Hostel আছে। এটা প্ৰেক্ষাগৃহৰ উপৰিও দুটা শ্ৰেণীকোঠা নিৰ্মাণৰ কামো চলি আছে।




আৰ্য্যভট্ট বিজ্ঞান কেন্দ্ৰ উদ্বোধনী অনুষ্ঠানত ভাষণৰত অৱস্থাত মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি শ্ৰীযুত সহজানন্দ ওজাদেৱ। ২৩ মে' ২০০৯

মহাবিদ্যালয় কেন্টিনখনো স্বাস্থ্য সন্মতভাৱে চলি আছে। স্নাতক চূড়ান্ত পৰীক্ষাত সৰ্বাধিক নম্বৰ পাই উত্তীৰ্ণ হোৱা ছাত্ৰ/ছাত্ৰীগৰাকীক এহেজাৰ টকাৰ এটি বঁটা অধ্যাপিকা মামনি শইকীয়াই আগবঢ়ায়। এই বঁটা প্ৰয়াত অধ্যাপক নিৰোদ প্ৰসাদ মহান্তিৰ নামত প্ৰদান কৰিবলৈ লোৱা হৈছে। সৰস্বতী পূজা, শঙ্কৰদেৱৰ তিথি, ফাতেহা-দোৱাজ-ই-দহমৰ উপৰি নৱাগত আদৰণি সভাখন জাক-জমককৈ পতা হয়। এইবছৰ মহাবিদ্যালয়ৰ স্নাতক ১ম বৰ্ষৰ ছাত্ৰ নীলোৎপল গায়নে গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যলয় সমাৰোহত অংশ গ্ৰহণ কৰি সুগম সঙ্গীত আৰু বিষ্ণু ৰাভা সঙ্গীত— এই দুটা শাখাত ২য় স্থান পাই মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে। বহু ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয়ৰ বাহিৰতো সঙ্গীত, নাটক, চিত্ৰ আদি বিভিন্ন দিশত প্ৰতিভাৰ প্ৰকাশ কৰিবলৈ সক্ষম হৈছে। ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীতো ছাত্ৰ-ছাত্ৰীসকলে নাম ভৰ্তি কৰিব পাৰে।

### মহাবিদ্যালয় পৰিচালনা সমিতি—

সভাপতি ঃ শ্ৰীযুত সহজানন্দ ওজা

সম্পাদক ঃ ড° ভূপেন শইকীয়া (অধ্যক্ষ, ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়)

সদস্য ঃ

শ্ৰীযুত মৃদুল কুমাৰ শইকীয়া, উপাধ্যক্ষ

শ্ৰীযুত যুগলচন্দ্ৰ দেৱগোস্বামী

শ্ৰীযুত যোগানন্দ গোস্বামী

শ্ৰীযুত ফণীন্দ্ৰনাথ গায়ন

শ্ৰীযুত উৎপল বৰা

শ্ৰীনকুল চন্দ্ৰ শৰ্মা

শ্ৰীমতী ৰেণু ফুকন

শ্ৰীমতী গায়ত্ৰী গোপ

ম ঃ কুতুবুদ্দিন আহমেদ

ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়
অধ্যক্ষৰ দ্বাৰা প্ৰকাশিত

মুদ্ৰণ ঃ অজন্তা প্ৰেছ, হয়বৰগাঁও ঃ নগাঁও। ফোন - ৯৪৩৫০-৬১৭৪৫